
কিশলয়
লক্ষ্য আমাৰ
বহুদূৰ
আমি যাওঁ আগুৱাই
সম্পাদিকা: শ্ৰীমতী বৰ্ণালী

# কিশলয়

হাতে লিখা আলোচনী

৪ৰ্থ বছৰৰ ৪ৰ্থ সংখ্যা

সম্পাদনা সমিতি

তত্ত্বাৱধায়ক : ড° উৎপলা দেৱী (মুৰব্বী অধ্যাপিকা)

ড° বিভা দত্ত নেওগ।

উপদেষ্টা মণ্ডলী : শ্ৰীযুক্তা অনুকম্পা চুতীয়া।

শ্ৰীযুত বুদ্ধেশ্বৰ কোঁচ।

শ্ৰীযুত হিতেশ দুৱৰা।

সম্পাদিকা : শ্ৰীমতী বৰ্ণালী ভূঞা, ৫ম ষাণ্মাসিক

বেটুপাতৰ শিল্পী : শ্ৰীমতী বৰ্ণালী ভূঞা, শ্ৰীমতী ৰাশি সৈতে

(শং.কৰদেৱ বিদ্যা নিকেতন)

সদস্য / সদস্যা : অসমীয়া বিভাগৰ সমূহ ছাত্ৰ-ছাত্ৰী

প্ৰস্তুত কৰোঁতা : শ্ৰীমতী বৰ্ণালী ভূঞা, ৫ম ষাণ্মাসিক

অসমীয়া বিভাগ, বিমাতি

অংগ সজ্জা : শ্ৰীমতী বৰ্ণালী ভূঞা, ৫ম ষাণ্মাসিক

ধেমাজি মহাবিদ্যালয়ৰ

অসমীয়া বিভাগৰ ৫ম ষাণ্মাসিকৰ ছাত্ৰ-ছাত্ৰী

২০১৮ বৰ্ষৰ

শ্ৰীমতী বৰ্ণালী ভূঞা
শ্ৰীমতী বৰ্ণালী বৰুৱা
শ্ৰীমতী জোনমণি হাজৰিকা
শ্ৰীমতী কাবেৰী বৰুৱা
শ্ৰীমতী কমলি দত্ত
শ্ৰীমতী ৰশ্মিৰেখা দেউৰী
শ্ৰীমতী দিপামণি কোঁচ
শ্ৰীমতী প্ৰতিমা হাজং
শ্ৰীমতী মুন সোণোৱাল
শ্ৰীমতী মনালিছা গগৈ
শ্ৰীমতী দিলমণি কোঁৱৰ
শ্ৰী নিৰ্মল চেতীয়া
শ্ৰী প্ৰশান্ত গগৈ ।

'কিশলয়' ৪ৰ্থ বছৰ ৪ৰ্থ সংখ্যা ধেমাজি মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ শিক্ষকবৃন্দলৈ কৃতজ্ঞতাৰ চিন স্বৰূপে শ্ৰদ্ধাৰে অৰ্পণ কৰা হ'ল -

# সূচীপত্ৰ


পৃষ্ঠা

১/ প্ৰবন্ধ : গাঁৱৰে জীয়ৰী সপোন সুন্দৰী — ৮

২/ গল্প : অন্য এক নদীৰ নাম — ১১

৩/ গল্প : শেষ ইচ্ছা — ১৫

৪/ প্ৰবন্ধ : এখনি সুখৰ সন্ধানত — ১৯

৫/ প্ৰবন্ধ : নিচুকৰা — ২৩

৬/ প্ৰবন্ধ : অসমীয়াৰ পৰিচয় — ২৭

৭/ প্ৰবন্ধ : নতুন প্ৰজন্মৰ সমস্যা — ২৯

৮/ প্ৰবন্ধ : "ৰঙা জিওৰা"ৰ কবি 'মহিম বৰা' — ৩৩


## কবিতা


(ক) বৰষুণ — ৩৯

(খ) শান্তি — ৪০

(গ) নিসংগতাৰ আলিংগনত তুমি — ৪১

(ঘ) অনুভৱ — ৪৩

(ঙ) জীৱন — ৪৩

(চ) জীৱনৰ অৰ্থ বিচাৰি — ৪৪

# বিভাগীয় প্ৰধানৰ একলম

সাধাৰণতে অসমীয়া বিভাগৰ ছাত্ৰ-ছাত্ৰী সকলে তেওঁলোকৰ পাঠ্যক্ৰমৰ যোগেদি ভাষা, সাহিত্য আৰু সাংস্কৃতিৰ বিভিন্ন দিশৰ বিষয়ে অধ্যয়ন কৰে। শিক্ষা গ্ৰহণৰ লগে লগে মানসিক উৎকৰ্ষ সাধন হ'ব পৰাকৈ অসমীয়া বিভাগৰ দ্বাৰা 'উন্মেষ' শীৰ্ষক এখনি প্ৰাচীৰ পত্ৰিকা আৰু 'কিশলয়' শীৰ্ষক এখনি হাতে লিখা আলোচনী প্ৰকাশ কৰি অহা হৈছে আৰু বিভাগীয় ছাত্ৰ-ছাত্ৰী সকলে তেওঁলোকৰ সৃষ্টিশীল মনটো পৰিচয় দি আহিছে। এইক্ষেত্ৰত ছাত্ৰ-ছাত্ৰী সকলক বিভাগীয় শিক্ষক-শিক্ষয়িত্ৰী সকলে সদায়ে সহায়-সহযোগ আৰু উৎসাহ-উদ্দীপনা যোগাই আহিছে।

ষাণ্মাসিক পদ্ধতিৰ পাঠ্যক্ৰম আৰম্ভ হোৱাৰে পৰা ছাত্ৰ-ছাত্ৰী সকলে তেওঁলোকৰ পাঠ্যক্ৰমত ছপা আৰু হাতে লিখা পুথি সম্পাদনা কেনেদৰে কৰা হয় সেই বিষয়েও পঢ়িব লগীয়া হৈছে। এনেক্ষেত্ৰত ছাত্ৰ-ছাত্ৰী সকলে পুথিগত জ্ঞান আহৰণ কৰাৰ লগে লগে প্ৰায়োগিক দিশসমূহৰ বিষয়েও জ্ঞান আহৰণ কৰাত প্ৰাচীৰ পত্ৰিকা 'উন্মেষ' আৰু হাতে লিখা আলোচনী 'কিশলয়ে' অলপ হ'লেও অৰিহণা যোগাই আহিছে।


বিগত বছৰ বিলাকৰ দৰে এইবছৰো ছাত্ৰ-ছাত্ৰী সকলে তেওঁলোকৰ প্ৰচেষ্টাৰে শিক্ষক দিৱসৰ সৈতে সংগতি ৰাখি 'উন্মেষ' আৰু 'কিশলয়' প্ৰকাশৰ প্ৰস্তুতি চলাইছে। এইক্ষেত্ৰত গল্প, কবিতা, প্ৰবন্ধ আদি চাই মেলি দি ছাত্ৰ-ছাত্ৰী সকলক বিভাগীয় শিক্ষক-শিক্ষয়িত্ৰী

সকলে উৎসাহ-উদ্দীপনা যোগাইছে। 'কিশলয়'ত সন্নিৱিষ্ট সকলো লিখাই উৎকৃষ্ট বুলিব নোৱাৰি যদিও চলেমান লিখাৰ মাজত সম্ভাৱনীয়তা লুকাই আছে। পঞ্চম ষাণ্মাসিকৰ ছাত্ৰ-ছাত্ৰী সকলৰ এই প্ৰচেষ্টাই আন আন ষাণ্মাসিকৰ ছাত্ৰ-ছাত্ৰী সকলকো নিশ্চয় উৎসাহিত কৰিব আৰু ছাত্ৰ-ছাত্ৰী সকলে গ্ৰন্থ, আলোচনী আদি সম্পাদনাৰ অভিজ্ঞতা লাভ কৰিব পাৰিব।

অসমীয়া বিভাগে সুদীৰ্ঘ দিনৰ প্ৰচেষ্টাত বিভাগত এটা সৃষ্টিশীল পৰিৱেশৰ সৃষ্টি কৰিবলৈ চেষ্টাৰ ত্ৰুটি কৰা নাই। ভৱিষ্যতেও এই প্ৰক্ৰিয়া গতিশীল হৈ থকাৰ কামনা কৰাৰ লগতে 'কিশলয়' দীৰ্ঘজীৱী হোৱাৰ আশা বান্ধিলোঁ।

ড° উৎপলা দেৱী
বিভাগীয় প্ৰধান, অসমীয়া বিভাগ
বিহালি মহাবিদ্যালয়, বিহালি।

## সম্পাদকীয় একলম



ইতিহাসে দুটি লোমোৰা কালিতে মানৱ সমাজত ভাষা আৰু লিপিৰ উদ্ভৱ হৈছিল। ভাষা আৰু লিপিৰ সংমিশ্ৰণৰ ফলত সাহিত্যৰ সৃষ্টি হয়। পোন প্ৰথমে মানুহে তাম্ৰপত্ৰ, শিলাখণ্ড, সাঁচিপাত অথবা জীৱজন্তুৰ ছালতহে লিখিছিল। অৱশ্যে এইয়া সাহিত্যৰ চৰ্চা বুলি কলে শুদ্ধ নহ'ব, বৰঞ্চ দৈনন্দিন ঘটনা প্ৰৱাহক লিখিতভাৱে সংৰক্ষণ কৰিছিল বুলি কলেহে শুদ্ধ হ'ব। কিন্তু সময়ৰ পৰিৱৰ্তনৰ লগে লগে লিখাৰ মাধ্যম সলনি হৈছে। বৰ্তমান বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ যুগত আমি ছপা কাগজত পুথিৰ পাবলৈ সক্ষম সক্ষম হৈছো আৰু পুৰণি হস্তলিখিত পুথি লিখাৰ সংস্কৃতি সময়ৰ সোঁতত হেৰাই যায়। সেই বুলিয়ে আমি নতুন প্ৰজন্মই হস্তলিখিত পুথি লিখা কলাক বিদায় দিয়া উচিত নহয়। যাতে লিখা পুথিৰ নিদৰ্শন মান্যতা কৰা যাবো।

এনে মনোভাৱেৰে আমি অসমীয়া বিভাগৰ ষষ্ঠ যাণ্মাসিকৰ ছাত্ৰ ছাত্ৰী সকলে অসমীয়া বিভাগৰ সমূহ ছাত্ৰ-ছাত্ৰীৰ সহায়-সহযোগত প্ৰতিবছৰৰ দৰে এইবছৰো 'কিশলয়' শীৰ্ষক হস্তলিখিত আলোচনীখন প্ৰস্তুত কৰি উলিয়াইছো। এই হস্তলিখিত আলোচনীখন বিভাগীয় ছাৰ, বাইদেউ সকলৰ পৰামৰ্শ আৰু আমাৰ ছাত্ৰ ছাত্ৰী সকলে লিখি দিয়া লেখাৰে আলোচনীৰ আৰ্হি অনুসৰি প্ৰস্তুত কৰি উলিওৱা হৈছে। ইয়াত কিমান দূৰ সফল হৈছো সেয়া পাঠকে বিচাৰ কৰিব। আশা ৰাখো অনাগত দিন বোৰত অসমীয়া বিভাগৰ সকলো ছাত্ৰ ছাত্ৰীয়ে এই

আলোচনীখনক হেৰাই যাবলৈ নিদি প্ৰকাশৰ ব্যৱস্থা কৰে যেন। সামৰ্থ্য অনুসৰি আলোচনীখনক এটা সুন্দৰ ৰূপ প্ৰদান কৰিবলৈ আমি যিমান পাৰো যত্ন কৰিছোঁ। আশা কৰো যে যোৱা ভুল ত্ৰুটিখিনি ক্ষমাৰ বিবেচনা কৰি 'কিশলয়'ক (লিখনি সমূহ) আন্তৰিকতাৰে গ্ৰহণ কৰিব।

সম্পাদিকা
শ্ৰীমতী বৰ্ণালী ভূঞা
পঞ্চম ষাণ্মাসিক
অসমীয়া বিভাগ
৫/০৮/২০২৫

# প্রবন্ধ

# গল্প

# আঁৰৰে জীয়ৰী সপোন সুন্দৰী

শ্ৰীমতী সোণমাই
বুঢ়াগোহাঁই

প্ৰথম ষান্মাসিক

এখন একেবাৰে পিছপৰা ঘোকোট গাওঁ। গাওঁখনত এটাও বাট-পথৰ সুব্যৱস্থা নাই। তাৰবায়া বতৰ একেবাৰে বৰষুণ দি আছে। সেইখন গাঁৱৰে জীয়ৰী নাম তাইৰ মধুমঞ্জৰী। তাই গাওঁখনৰ ভিতৰতে এগৰাকী নামজ্বলা জীয়ৰী, তাই লিখাই পঢ়াই, দেখাই শুনাই যোৱাই কটাই সকলোফালেই জানে। তাইক কোনোবা জীয়ৰীয়েই পাছ পেলাব নোৱাৰে। জানে তাই সকলোৰে লগত মিলি জুলি থাকিবলৈ। সেইতৰ গাঁৱখনত যোৱাৰ ৰাস্তা-পথ বৰ ভাল নহয়, বাৰিষাকালত ৰাস্তাবোৰ একেবাৰে বেয়া হৈ থাকে। সেইতৰ গাঁৱত মানুহিয়া হোৱাৰ পৰাই শুনিবলৈ পোৱা ভেকুলিৰ টোৰটোৰ মাত, ঝিলিৰ শব্দ, মাজে মাজে ফেঁচাৰ দুটা ভয় লগা বিকট চিঞৰ। এনেকুৱা বাৰিষাকালত গাওঁবোৰ ভাল হৈ নাথাকে। সোনকালে ৰাতি হয়, ক'লৈকো ওলাই যাবলৈ ভাল নালাগে। এনেকুৱা বস্তুত পিছপৰা ঘোকোটা গাওঁত কাপোৰ কানি কিনিবলৈ হ'লে বহু মাইল পোনেৰে ঘাটলৈলে আহিব লাগে।

মধুমঞ্জুৰীক ঘৰৰ সকলোৱে মৰমতে মৌ বুলি মাতিছিল। তাইৰ মাক বাপেক নাই বাছ দুৰ্ঘটনাত ঢুকাল। মৌৰ সৰুতেই মাক-বাপেকক হেৰুওৱাৰ লগীয়া হৈছিল। মৌৰ আপোন বুলিবলৈ জীৱনত

আছিল মাত্ৰ কথাৰ লাখুটি তাইৰ আইতাক। আইতাকে তাইক বহুত কষ্টেৰে সহজেৰে ধৰা তুলি তালি ডাঙৰ কৰিছে। জীৱনত নোপোৱা নোহোৱা কথাবোৰ তাই কেতিয়াও আইতাকৰ আগত প্ৰকাশ কৰা নাছিল। কোনোদিনে তাই দিয়া নাছিল আইতাকৰ মনত দুখ। আইতাকে তাইক যিমান পাৰে সিমান চেষ্টা কৰিছিল তাইৰ মুখত হাঁহি বিৰিঙাবলৈ। মৌৰে কেতিয়াও মাক দেউতাকৰ অভাৱ অনুভৱ কৰা নাছিল। মৌ এতিয়া পাট সাজৰ। আইতাকে তাইক লৈ চিন্তিত হ'ল বিয়া দিবলৈ। তাইৰ বিয়া দিয়াৰ উপযুক্ত সময় হোৱাৰ বাবে মৌৰে গাঁৱৰে এজন ল'ৰা তাইৰ সমবয়সীয়া মৌৰক ভাল পাইছিল। সিও তাইক বহুত ভাল পাইছিল আৰু তাইও তাক বহুত ভাল পাইছিল কিন্তু এই ভাল-পোৱা আইতাকে সহ নাপালে। দিনক দিনে সময় বাঢ়ি যাবলৈ ধৰিলে। চহৰৰ পৰাও বহুত সম্ভ্ৰান্ত পৰিয়ালৰ ল'ৰাই মৌক চাবলৈ আহিল। তাইৰ ৰূপ গুণ দেখি চাবলৈ অহা বহুত ল'ৰাই শুবলৈ খাবলৈয়ে এৰি দিছিল। তাইৰ প্ৰেমৰ জালত এনেদৰে কেইবাটাও পৰিছিলহি। মৌৰ আইতাকে ধনী পৰিয়ালৰ এটা ভাল ল'ৰা চাই বিয়াখন ঠিক কৰিলে। কিন্তু মৌৰে এই কথা সহ পোৱা নাছিল। আচলতে যেতিয়া মৌৱে আইতাকৰ মুখৰ পৰা সকলো কথা গম পালে তেতিয়া তাই বেৰখনৰ মূৰত আবাদি খৰ হৈ ৰ'ল। তাই কেতিয়াও ভৱা নাছিল এনেকুৱা এটা ঘটনা ঘটিব বুলি। তাইৰ সেই কথাটোৱে মনত খুলি খুলি খাব ধৰিলে। তাই কেতিয়াও আইতাকৰ কথা পেলোৱা নাছিল। তাই

অনুত্তৰ কৰিলে যদি আইতাকৰ কথাটো তাই অশান্তি কৰে ; তেন্তে আইতাকে মনত বৰ কষ্ট পাব এনেও বৃদ্ধা মানুহ । মোৰে মাধৱক নৈৰ পাৰৰ কঁহুৱাৰ তলত বহি সকলো কথা বিবৰি ক'লে, কিন্তু মাধৱ নিৰুপায় । কি কৰিব মাধৱে ? নিজেই যেনেতেনে দুবেলা দুমুঠি খাই আছে আকৌ তাইক সি কেনেকৈ পলুৱাই নিব । যদি পলুৱাই নিয়েই খুৱাব কি ? পিন্ধাব কি ? এইবোৰ কথা সি মোৰ আগত প্ৰকাশ কৰিলে কথাখিনি কৈয়েই সি শোক লুকাই কান্দিলে কিন্তু এই কান্দোন নিৰুপায় এই চকুৰ পানীয়ে একো কৰিব নোৱাৰে । মোৰেও ভাবি পাৰ নাপালে । এই দুই তিনি বছৰে সিহঁতৰ ভালপোৱা যেন অন্তকতে বিচ্ছেদ হৈ গ'ল মোৰে কেতিয়াও ভবা নাছিল যে নিজৰ প্ৰিয়তমক এৰি এদিন বেলেগৰ হ'ব লাগিব বুলি । তাই এতিয়া নিৰুপায় অতীত সুঁৱৰি কন্দাৰ বাহিৰে তাই এতিয়া কি কৰিব ? কোনে বুজিব তাইৰ এই দুখবোৰ । মাধৱে আৰু শেষত কন্দাৰ বাহিৰে একো কৰিব নোৱাৰিলে এদিন দুদিনকৈ মোৰ বিয়াৰ দিন পালেহি । তাইৰ ধুনীয়া মৰম লগা চকুযুৰিৰে কেৱল দুখ লগা স্মৃতিবোৰৰ কথা মনত পেলাই হিয়া ঢাকুৰীয়াই কান্দিছে । বিয়াখন বৰ ধুম ধামেৰে হৈ গ'ল । তাত মাধৱ উপস্থিত নাছিল । সি তাইৰ বিয়াত সহায় সহযোগিতা আগবঢ়াই আকৌ গুচিগৈ । সকলোখোৰ জানি শুনি মাধৱে বৰ ডাঙৰ ভুল কৰিলো বুলি কইত কান্দিলে আৰু কোনো পথ নোপোৱাকৈ আত্ম হত্যা কৰিলে সেই নদীখনত যিখন নদী আছিল মোৰ আৰু মাধৱৰ প্ৰিয় নদী, যিখন নদীৰ পাৰত বহি সিহঁতে কঁহুৱাৰ

তলত কথা পাতিছিল খানে যাইছিল আৰু পাতিছিল বহুত কথা যিবোৰ হৈ ৰ'ল সাঁথৰ। মাধৱ নাই। সঁচাকৈ নাই, আৰু নাই। মাধৱৰ দেহ উটুৱাই লৈ গ'ল সেই নদীখনে।

সাঁৰৰ মানুহে এদিন দুদিনকৈ সকলোবোৰ কথা গম পালে। মাধৱ আৰু মৌৰ কথা সকলোৱে এষাৰ এষাৰ কথা বলিয়াব ধৰিলে আৰু আইতাকক ক'বলৈ ধৰিলে যদি মাধৱ আৰু মৌৰ বিয়াখন পাতি দিয়া হ'লে আজি মাধৱৰ এনে অৱস্থা নহ'লহেঁতেন। ইত্যাদি ইত্যাদি কথাবোৰ আইতাকক শুনোৱাবলৈ ধৰিলে। মৌয়ে আইতাকৰ কথা গম পাই নিজৰ আপোনপাউ খলিলে আহিল তাই গম পালে আপোন প্ৰিয়তম মাধৱৰ কথা। তাই ভবা নাছিল মাধৱৰ এনে অৱস্থা হ'ব বুলি। মৌয়ে মাধৱৰ কথা গম পাই দৌৰি গ'ল তাৰ দেহ বিচাৰি নদীখনলৈ। মৌয়ে গুল নৈৰ পাৰৰ পৰা নামিলে জাপ মাৰি দিলে। মৌৰ আৰু দেহ বিচাৰি পোৱা নগ'ল। মাধৱ আৰু মৌৰ যৱনিকা পৰিল। সিহঁতৰ সঁচা ভালপোৱা বিলীন হৈ গ'ল সিহঁতৰ মৰমৰ নদীখনত। যিমান নদীৰ পাৰত বহি বহি সিহঁতে কটাইছিল মিঠা সপোন।

মাধৱ আৰু মৌক কেতিয়াও বিচাৰি পোৱা নগ'ল। উটুৱাই লৈ গ'ল সিহঁতৰ নিষ্প্ৰাণ দেহ। অৱশেষত মধুমঞ্জুৰীৰ সিৰিয়েকে মৌ আৰু মাধৱৰ এই কৰুণ কাহিনীৰ বিষয়ে এখন লিখি উলিয়ালে উপন্যাস উপন্যাসৰ নাম দিলে —

'সাঁৰৰে জীয়ৰী সপোন সুন্দৰী'

# অন্য এক নদীৰ নাম

শ্ৰী বিজিত দাস
তৃতীয় ষাণ্মাসিক

কেইবাদিনৰ মেৰা-মেখেৰা বৰষুণৰ পাছত পুৱাৰ ৰ'দজাক দেখি নিজৰাৰ ভাল লাগিল। তাতে আজি জুৰিও আহিব কথা। এনেয়েও আজি অলপদিনৰে পৰা নিজৰাৰ মনটো খুকলি মুকলি লাগিছে। জুৰিৰ কথাবোৰে তাইৰ মনটো ভৰাই ৰাখিছে। বুকুখন উথল-মাথল লাগিছে। কিমানদিনৰ মূৰত যে তাইৰ লগত থাকিবলৈ পাব।

বহুদিনৰ খুপ খাই থকা মনৰ কথাবোৰ তাইৰ সৈতে খুঁ-পাহেৰে পাতিব পাৰিব। যোৱা সপ্তাহত তাই ঘৰলৈ গৈ দেউতাকক কৈ আহিছে জুৰিক তাইৰ নিজৰ লগত ৰাখিব বুলি জুৰিক তাইৰ লগত ৰখাৰ কথা কোৱাৰ লগে-লগে দেউতাক জাঙুৰ খাই উঠিল —

তোৰ লগত থাকি তাই কি কৰিব?
ইয়াতনো তাই কি কৰিছে? পঢ়া-শুনাও কৰা দেখা নাই।

নিজৰাই লাহেকৈ ক'লে —

চাকৰিটো আৰম্ভ কৰিছোঁহে, আৰু মহাশয়েৰ কালে ভুলিয়েই ঘৰৰ পৰা ইমান দূৰৈত চাকৰি কৰিবলৈ পালিয়ে তাতে প্ৰাইভেট স্কুল এখনতহে ....।

এতিয়া ভালো চাকৰি পোৱা যায় দেউতা? বি. এ আৰু বি. এচ. ৰ ৰিজাল্ট ভাল থাকেহে সেই একটো চাকৰি পাইছো। চৰকাৰী চাকৰি এটা পাবলৈ টকা লখুৰ টোপোলাটো উপহাৰ হিচাপে দিবলৈ কত পাম দেউতা।

তেন্তে সেই কেইটা টকাৰে জুবিৰ দায়িত্ব লৈছিলে আছিল যে . . . . . .

নহয় দেউতা। আপুনি তেনেকৈ নকব। আমাৰ নিচিনা সাধাৰণ মানুহে চলিবলৈ বেছি টকা প্ৰয়োজন নাই। মুঠতে জুবিৰ ভৱিষ্যৎটোৰ কথা এবাৰ ভবাটো ভাল মেট্ৰিক দুবাৰ দিওঁতাই পাছ কৰিব নোৱাৰিলে। মোৰ লগত মাৰি পৰীক্ষাটোকে এবাৰ দিয়ক, সময়ো অলপ চাই মেল দিব পাৰিম আৰু তাই পঢ়া-শুনা কৰি, ব্যস্ত থাকিলে

তাইৰ বাক্যটো সম্পূৰ্ণ হবলৈ নাপালে, দেউতাকে চুইন জোৰেৰে কৈ উঠিল।

তাই ইয়াত পঢ়া-শুনা কৰা নাই নেকি? মাকৰ লগত ঘৰখনৰ কাম হাতনি-পাচনি কৰিছে, মাকৰো লগ এটা হৈছে।

মাকৰ লগ হাতনি পাচনি শব্দবোৰ শুনি নিভৰা হতাশ হৈছিল। কিন্তু দেউতাকৰ লগত অনাহক তৰ্ক কৰাৰ তাইৰ মন নগ'ল। তাইকো মা: খটি আছিল। বস্তুত কিবা কিবি কোৱা ইচ্ছা হৈছিল। তাইৰ সৰুকালৰ মাক জনাৰ কথা দেখোন দেউতাকে এনেকৈ ভবা কথাটো তাই ভাবিবই পৰা নাছিল। কিবা এটা কও বুলি মুখ খোলৰ বিচাৰি তাই বৈ গ'ল। মিঠিকাৰে জুবিয়ে হাতেৰে ইঙ্গিত দি একো নকবলৈ তাইক বাধা দিলে। নিভৰা মনে মনে থাকিল। খঙত তাইৰ কাণ্ডহবোৰ ঘন হৈ আছিল। মুখ মনত যেন তেজবোৰ সোঁট খাই গৈছিল। ওঁঠ কামুৰি তাই নিজকে সামৰিবলৈ যত্ন কৰিলে। নিজৰ দেউতাকৰ মুখত এনেবোৰ কথাৰ মুখামুখি হোৱাটো তাই বিচৰা নাছিল। একান্ত হৈপাহেৰে তাই কইদিনৰ মূৰত

ধৰিলে আহিছিল। দুখত তাইৰ বুকুখন ফাটি যোৱা যেন অনুভৱ হ'ল। দোষী চোৰৰ দৰে সে তাই জুবিৰ কোঠাত সোমাই বিচনাত বাগৰ দিলে। মাকৰ মুখ শুনি নিশ্চল হৈ তাই পৰি ৰ'ল। দেউতাকৰ নেতিবাচক কথাবোৰে তাইক যথেষ্ট দুখ দিছিল। বুকুখন টোং টোং লাগিছিল। ঘৰখন উজ্জ্বল কৰি ৰখা সৰুকালৰ মাকজনীলৈ তাইৰ মনত পৰিছিল।

আজিদিনা পুৱাই নিজৰাই তাই চাকৰিস্থলীলৈ যাবলৈ পৰিলিৰ সময়খিনি নিজৰাৰ মাথায়-ঘূৰুৱায় যেন লাগিল। অজানু মন এটা লৈ তাইৰ ওচৰ চুবুৰীয়া কাষৰীয়া ঘৰলৈ যাবলৈ মন নগ'ল। তাইৰ নিজকে বৰ অকলশৰীয়া যেন লাগিল। জুবি মাকৰ লগত আকাশৰত সোমালে, জীয়েকো জনীয়েকৰ ঘৰুৱাল মামৰাত জুবি ব্যস্ত। দ্বিতীয় মাকৰ লৰা এটা জেৰালী এখনী। জুবিক বাদ দি ঘৰখন যেন আমাৰ; নিজৰাৰ তেনে অনুভৱ হ'ল। সেইবাবেই হয়তো তাই নিজৰ মনৰ শুনাবোৰ চমুলিৰ খবৰ নাই। মাকতে তাইক চাই একাষ দি জুবিয়ে কাণে কাণে কৈ গ'ল।

: নিজৰা বা তুমি দুখ কৰি থাকিবা। সৰু মুখতে আছে। তুমি কালিলৈ যোৱা আকৌ সৰু নিজে মা দেউতাৰ লগত কথা- বতৰা মোৰ বালিকে আজিও তুমি অলপো চিন্তা নকৰিবা।

নিজৰা মনত হয় আৰু নাই। নিজৰাই ৰাতি কথাবোৰ ভাবি চিন্তি থাকোঁতে মাজ নিশা হ'লগৈ। ৰাতিয়ে নিজৰাই জুবিৰ পঢ়া টেবুলৰ খবৰ এখন ডুলীয়া আখৰৰ বহী বেগত ভৰাই ল'লে।


ৰাতিপুৱা হ'ল নিজৰা চাকৰিলৈ যাবলৈ ওলাল। নিজৰা যাবলৈ ওলোৱাত জুৰি সৈতে দুয়ো মুখামুখি হৈ চকুপানী টুকিবলৈ ধৰিলে।

এনেবোৰ দুখ-কষ্ট ত্যাগ কৰি জুৰিয়ে ঘৰখনৰ জঞ্জালবোৰ মাৰি আছে। তাৰ মাজতে এদিন নিজৰা ঘৰলৈ অহাৰ কথা। ফোনটো বাজি উঠিল। অলপ পিছত জুৰিৰ ঘৰৰ সন্মুখতে বাছৰ পৰা নামি নিজৰা থিয় হৈছিল। জুৰি আনন্দমধুৰ চিন্তাত উদ্বুদ্ধ হৈ পৰিল। জুৰি আৰু নিজৰা আহিছে সৰবাই এখন নদী হৈ সাগৰলৈ বৈ যাব। এই নদীখনৰ নাম কি হ'ব নিজৰাই এবাৰ ভাবিলে।

শেষ ইচ্ছা

শ্ৰীমতী দেৱজ্যোতি শইকীয়া সোণোৱালে
প্ৰথম ষাণ্মাসিক অসমীয়া বিভাগ

সিদিনা আছিল জুলাই মাহৰ এটা দেওবাৰ। তাতে স্কুল বন্ধ। সাধাৰণতে জুলাই মাহত প্ৰায় স্কুল সমূহ বন্ধ থাকে। সেয়েহে ৰাহুলে খৰধৰকৈ ভাত কেইগৰাহমান খাই লগৰ বন্ধুজনৰ ঘৰত খেলিবলৈ যাবলৈ ওলাওঁতেই খবৰ আহিল তাৰ দেউতাকৰ মৃত্যু হ'ল। সি বজ্ৰপাত পৰা মানুহৰ দৰে থিয় দি ৰ'ল। বেচেৰা মাকজনী পাগলীৰ দৰে চিঞৰি চিঞৰি কান্দিবলৈ ধৰিলে। মাকৰ কান্দোন শুনি ওচৰ-চুবুৰীয়া সকলো আহিল যদিও তেওঁক কোনেও বুজনি দিব নোৱাৰিলে। কিন্তু দেউতাকৰ ক'ত, কিয়, কেনেকৈ মৃত্যু হ'ল তাৰ একো সু-সূত্ৰকে কোনেও উলিয়াব নোৱাৰিলে। মাত্ৰ এটা ফোন আহিছিল যে ৰাহুলৰ দেউতাক আৰু এই পৃথিৱীত নাই। প্ৰায় সকলো ঠাইতে দেউতাকৰ মৃতদেহটো বিচৰা হৈছিল যদিও তেওঁক বিচাৰি নাপালে। কিন্তু তেওঁলোকে সকাম পাতিলে।



দেউতাকৰ সকাম পোৱাৰ পিছত তেওঁলোকৰ ঘৰখনলৈ নিস্তব্ধতা নামি আহিল লগতে দুখৰ উপৰি দুখ। দুখৰ মাজতে অতীতৰ কথাবোৰ পাহৰি ভৱিষ্যতৰ সোণালী দিনবোৰত নিজকে মিলা-মিচা কৰি সময়ৰ লগত খোজ মিলাই দুয়ো আগুৱাই যাবলৈ ধৰিলে।

ৰাহুল আছিল সকলো ক্ষেত্ৰতে তীক্ষ্ণ বুদ্ধিসম্পন্ন আৰু প্ৰতিভাশালী। ৰাহুলে পঞ্চম শ্ৰেণীত পঢ়ি থাকোঁতে মাক-দেউতাকক কৈছিল যে সি ভৱিষ্যতে পঢ়ি-শুনি এজন ডাঙৰ মানুহ হ'ব। তাৰ ইচ্ছা আছিল ভৱিষ্যতে সমাজৰ এজন আদৰ্শবান ব্যক্তি, দেশৰ প্ৰকৃত নাগৰিক হিচাপে নিজকে পৰিচয় দিয়াৰ, মাকে তাৰ সেই ইচ্ছাক আধা-বাটতে টান-বান হ'বলৈ নিদিলে। মাকে অন্তত: তাক ক'লে

যে মাকে নিজে নাপাই, লোকৰ ঘৰত কাম কৰি হ'লেও তাক পঢ়াব। তাৰ মাকৰ মনত দুখ দিয়াৰ ইচ্ছা নাছিল। সি মাকক না কৰিলেও সাহস গোটাব পৰা নাছিল, কিয়নো এনেকুৱা এটা সময়ত যে মাকে তাক পঢ়ুৱাবলৈ ইচ্ছা কৰিছে, ইচ্ছা কৰিছে, সাহস কৰিছে, বাপুলৰ উৎসাহ আৰু অনুপ্ৰেৰণা যোগাইছে সেইটোৱে আচল কথা। মাকে কাম কৰিবলৈ গুলাই যায় তেতিয়া বাপুলৰ হৃদয়খন দুখত ভাগি পৰে। মাকে নেদেখাকৈ সি কান্দে। তাৰ মনত হেজাৰ প্ৰশ্নৰ উদয় হয়। সি মনতে ভাবে দেউতাক থকা হ'লে মাকে তাৰ বাবে ইমান কষ্ট কৰিব লগা নহ'ল-হেঁতেন। মাকৰ দুখ কষ্ট সন্মুখ দেখি সি ভালদৰে পঢ়িবলৈ সংকল্প লৈছিল। মেট্ৰিক পৰীক্ষাৰ সময়ত সি যথেষ্ট পৰিশ্ৰমেৰে পঢ়িছিল। পৰীক্ষাও ভালদৰে দিছিল। পৰীক্ষাত প্ৰথম স্থান লাভ কৰিবলৈ সক্ষম হৈছিল।

প্ৰথম বিভাগত উত্তীৰ্ণ হোৱাৰ বাবে বিদ্যালয়ৰ সকলো শিক্ষক-শিক্ষয়িত্ৰীয়ে সহায়ৰ হাত আগবঢ়াইছিল। সকলোৱে সহায়ৰ হাত আগবঢ়োৱাৰ বাবেই এদিন সি স্নাতক ডিগ্ৰী লাভ কৰি কোনোবা এটা বিষয়ত ইন্টাৰভিউ দি থকাৰ সময়ত তালৈ এটা ফোন আহিছিল। সি ইন্টাৰভিউ দি থকাৰ বাবে ফোনটো ধৰিবলৈ পোৱা নাছিল যদিও লগৰ এজনে ফোনটো ধৰিছিল আৰু তাৰ সমন্ধীয় খুড়াকে এজনে কৈছিল যে তাৰ মাকৰ অৱস্থা বৰ সংকটজনক। বেচেৰা সি কি কৰিব। এতিয়া ইন্টাৰভিউ এদিন বাকী আছেই। সি সেইদিনা ইন্টাৰভিউ দি বাছৰ টিকট কৰি ঘৰলৈ আহিবলৈ বাধ্য হৈছিল। লগৰ কেইজনে বাপুলক বাছত উঠাই বিদায় দিছিল। বাছত মানুহৰ ঠেলা-হেঁচা তাতে অত্যন্ত গৰম। কিন্তু তাৰ প্ৰতি বাপুলৰ ভ্ৰুক্ষেপ নাই। চকুৰ আগত ভাঁহি আছিল মাকৰ মুখখনি।

মাকেই আছিল তাৰ বাবে সাহস আৰু অনুপ্ৰেৰণাৰ উৎস। সি ঘৰ কেতিয়া পাইছিল সময়কে পোৱা নাছিল। ঘৰ গৈ পাছুলিৰ পৰা দেখে যে সিহঁতৰ ঘৰৰ চোতালত অসংখ্য মানুহ। তাৰ মাকতেই এজনী মানুহ শুই আছে। তাৰ আৰু বুজিবলৈ বাকী নাথাকিল! সি দৌৰি গৈ মাকক সাৱটি ধৰি মা মা বুলি চিঞৰি চিঞৰি কান্দিলে। কিন্তু মাকৰ পৰা কোনো উত্তৰ নাপালে। মাকো শুচি গ'ল তাক অকলশৰে এৰি এই সংসাৰৰ পৰা।

মাকে তাক পঢ়াবলৈ যিমান কষ্ট কৰিছিল, সিয়ো সেই অনুপাতে পঢ়া শুনা কৰিছিল। অন্তত মাকৰ শেষ ইচ্ছাক পূৰণ কৰিবলৈ। মাকৰ মৃত্যুৰ দুদিনৰ পিছত তাৰ চাকৰিৰ কলি· লেটাৰ আহিল। কিন্তু কি লাভ? সি এতিয়া কাৰ বাবে চাকৰি কৰিব। তাৰ মনত অলপো আনন্দ নাই। সি জীৱনত সকলো হেৰুৱালে। সি বৰ দুৰ্ভগীয়া। যিজনী মানুহে বিচাৰিছিল সি পঢ়ি শুনি এজন ডাঙৰ হ'ব তেওঁলো এতিয়া তাৰ কাষত নাই। তাৰ মাক তাৰ কাষৰ পৰা চিৰদিনৰ কাৰণে বহু দূৰলৈ আঁতৰি গ'ল।

## এখনি সুখৰ সন্ধানত

শ্ৰীমতী চুমানী চুতীয়া
প্ৰথম ষাণ্মাসিক

আজি দীপান্বিতা। দেশত সন্ত্ৰাসবাদৰ ওৰ পৰা নাই যদিও সকালোৱে এখনি সুখৰ বাবে আজি আনন্দমনেৰে দীপান্বিতা পালিছে। এই সন্ত্ৰাসবাদৰ ফলত কিমানে যে কিমানক হেৰুৱাইছে তাৰ কোনো হিচাপেই নাই। কোনোৱে যদি পুত্ৰক, কোনোৱে স্বামী, কোনোৱে কন্যা, কোনোৱে পিতৃ আৰু কোনোৱে মাতৃক। কোনোবাইটো সৰ্বস্ব হেৰুৱা হৈছে। প্ৰত্যেকটো দিন আৰু ৰাতি ভয়ে ভয়ে কটোৱা প্ৰত্যেকজন মানুহেই আজিৰ দিনটোত সকালো ভয় ত্যাগ কৰি চাকি বন্তি জ্বলাই এখনৰ বাবে হ'লেও নিজৰ ঘৰখন পোহৰাই ৰাখিছে। ঘৰে ঘৰে জ্বলি উঠা চাকি বন্তিৰ পোহৰে আন্ধাৰক লেওচি পেলালে।

কিন্তু নিমাতিৰ ঘৰত হ'লে এগছিও চাকি জ্বলা নাই আনকি তাইৰ ঘৰৰ পৰা পোহৰৰ ৰেঙনি এটাও অহা নাই। তাইৰ ঘৰখন দেখিলে এনে লাগিব যেন তাত মাতলিলাৰে অন্ধকাৰেহে গ্ৰাস কৰি আছে। যোৱা বছৰৰ দৰে আজিও এচুকত বহি জুমি আছে।

মানুহৰ জীৱনত এবাৰ সুখ এবাৰ দুখ হয় কিয়নো সময় আৰু দিন মানুহৰ বাবে একে নহয়। যিহেতু সময় গতিশীল। নিয়তিয়ে কিন্তু নিমাতিৰ বাবে দুখহে লিখি থৈ যাইছিল।

সৰুতে মাতৃক হেৰুৱাই নিমাতিয়ে মাহীমাকৰ হাতত ডাঙৰ দীঘল হৈছিল যদিও নিমাতিয়ে কিন্তু মাহীমাকৰ পৰা মৰম পোৱা নাছিল। দুৰ্ভাগ্য তাৰো পিছলি

লৈকে কেৱল মাখী মাকৰ কেতেবা মাতকে শুনিবলগীয়া হৈছিল। যেতিয়া নিমাতিলৈ বিয়াৰ প্ৰস্তাৱ আহিছিল তেতিয়া নিমাতিয়ে আনন্দত কৰি নোৱাৰা হৈ উঠিছিল। বিয়লো তাই ভাবি লৈছিল যে তাইৰ জীৱনলৈ এতিয়া সুখৰ নিজৰা বৈ আহিব। মাখী মাকৰ কেতেবা মাত আৰু কেতিয়াও শুনিব লগা নহ'ব। এইখিনি সুখৰ আশাতেই তাই বিয়াৰে প্ৰস্তাৱক হাঁহি মুখে আদৰি লৈছিল। নিমাতিৰ বিয়াৰ পাছৰ পৰাই সন্ত্ৰাসবাদীবোৰে তাণ্ডৱ চলাইছিল। যাৰ ফলত নিমাতিয়ে নিজৰ স্বামীক হেৰুৱাব লগীয়া হৈছিল। স্বামীৰ মৃত্যুৰ শোকে নিমাতিৰ শাৰীৰিক আৰু মানসিক দুয়োটা অৱস্থাকে জোখ্ৰা কৰি পেলাইছিল। তাইৰ কোলাত থাকি যোৱা কণমানি সন্তান দুটিক লৈ কি কৰিব কি নকৰিব একো উপায় নোপোৱা হ'ল। চাৰিওফালে যেন আন্ধাৰ আৰু আন্ধাৰ। লৰা ছোৱালী পোহ পাল দিয়া, ঘৰ চলোৱা, ভৱিষ্যতৰ বিভিন্ন সমস্যাবোৰৰ চিন্তাই নিমাতিক শেষ কৰি পেলাইছিল। বিশেষকৈ নিজৰ কোনো সংস্থাপন নথকাৰ বাবেই নিমাতি বেছি চিন্তাত পৰিছিল আৰু শেষত পোনাদুটিক লৈ নিজৰ জীৱনটো শেষ কৰাৰ কথা ভাবিলে। পাছত যেতিয়া লৰা-ছোৱালীৰ দুটি কথা ভাবিলেই সেই সিদ্ধান্তক এৰি পেলালে। নিমাতিয়ে ভাবিলে যে নিজৰ জীৱনৰ লগতে পোনাহঁতেই পৃথিৱীখন দেখা-নোপোৱা নিষ্পাপ দুটিৰ জীৱনটো কিয় শেষ কৰো। তদুপৰি এই সন্ত্ৰাসবাদীবোৰৰ বাবে কিমানৰ যে তাইৰ দৰে অৱস্থা হৈছে। সেই সকলেতো তেনে কোনো কাম কৰা নাই।


পৃথিৱীত এনে বহুত মানুহ আছে যি স্বামীহীন, পিতৃহীন মাতৃহীন বা কৰ্মসংস্থাপন নোহোৱাকৈ সুখেৰে দুমুঠি খাই জীয়াই আছে। তেনেস্থলত তাইনো কিয় চিন্তা কৰিব হয়তো তাইৰ লৰা ছোৱালীহালেই তাইৰ জীৱনলৈ পুনৰ সুখ আনি দিব।

সেই দিনাৰ পৰাই নিমাতিয়ে পোনা চুটিক লৈ এটা নতুন জীৱন আৰম্ভ কৰাৰ কথা ভাবিলে। ই ঘৰে সি ঘৰে কাম বন কৰি নিমাতিয়ে অশেষ কষ্ট কৰি ঘৰখন চলোৱাৰ লগতে পোনা চুটিক স্কুলত নাম লগাই দিলে। পুৱাৰ পৰা গধূলিলৈকে সিহঁতৰ কথা ভাবিয়েই নিমাতিয়ে কষ্ট কৰি গ'ল।

এইদৰে দিন পাৰ হ'ল। নিমাতিৰ লৰা-ছোৱালী হাল এতিয়া কণমানি হৈ থকা নাই। গতিশীল সময়ৰ লগতে সিহঁতো ডাঙৰ হ'ল। নিমাতিৰ লৰা পোনাক উচ্চতৰ স্কুল এখনৰ শিক্ষক আৰু তাইৰ [illegible] ছোৱালী মালাও সেইখন স্কুলৰে শিক্ষয়িত্ৰী। নিমাতিৰ কষ্ট সাৰ্থক হ'ল। লোকৰ ঘৰে ঘৰে কাম কৰি ফুৰা নিমাতিৰ ঘৰত এতিয়া কি নাই। সকলো আছে। আনৰ দৰে এতিয়া আৰু তাই আনৰ ঘৰত কাম কৰি ফুৰিবও নালাগে।

কিন্তু কথা বিধাতাই নিমাতিৰ সেই সুখকণো সহ্য নকৰিলে। তাইৰ বুকুৰ পৰা তাইৰ লৰা-ছোৱালী হালকো আঁজুৰি লৈ গ'ল। সেইদিনা দীপান্বিতা আছিল পোনাক আৰু মালাৰ সৈতে নিমাতিয়েও গোটেই ঘৰখন চাকি-বন্তি জ্বলাই পোহৰাই তুলিছিল। কিয়নো ইমান

দুমহৰ পাছত সিঁহতৰ জীৱনলৈ সুখ অহাৰ পাছতো সেইয়া সিঁহতৰ প্ৰথমটো দীপান্বিতা আছিল। আনন্দত সিঁহতে কিমান যে কি কৰা নাছিল। কিন্তু সেইদিনাই যে সিঁহতৰ আনন্দ স্তব্ধ হৈ ৰবা হবাই লাগিল। তৎক্ষণাত যে কি হৈ গ'ল নিমাতিয়ে ধৰিবই নোৱাৰিলে। কলা কাপোৰেৰে মুখ ঢাকি অহা কেইজন মান সন্ত্ৰাসবাদীয়ে তৎক্ষণাতে সিঁহতৰ ঘৰৰ ভিতৰত সোমাই সকলো তছ নছ কৰি পেলাইছিল। সিঁহতক বান্ধি দিয়া সৌৰভ আৰু মালাকো সিঁহতে আঘাত কৰি গ'ল। চোকা অস্ত্ৰৰ আঘাতত সৌৰভ আৰু মালাই জীয়াই নাথাকিল। নিমাতিৰ সকলো শেষ হৈ গ'ল। তাই এতিয়া কাৰ বাবে জীয়াই থাকিব। সৌৰভ আৰু মালা তাইৰ ওচৰলৈ আৰু কেতিয়াও নাহে। সেই দিন ধৰি নিমাতিৰ ঘৰত এগছিও চাকি জ্বলা নাই। তাইক সান্ত্বনা দিবলৈও আজি তাইৰ কাষত কোনো নাই। পুত্ৰ, কন্যাক হেৰুৱাৰ পাছত তাইক আপোন বিষাদবোৰে আহি জুমুৰি দি ধৰিছিলেহি। নিমাতৰ মনত এটাই প্ৰশ্ন এই সন্ত্ৰাসবাদ কেতিয়ানো ওৰ পৰিব? নিৰ্দোষী লোকৰ তেজেৰে ফাকু খেলিবলৈ সিঁহতে কেতিয়া বন্ধ কৰিব?



নিৰ্ভৰা

শ্ৰীমতী বৰ্ণালী ভূঞা
পঞ্চম ষান্মাসিক

জীৱনটো সুন্দৰ ৰূপত আগবঢ়াই নিবৰ বাবে আৰু জীৱনত শান্তি লাভ কৰিবৰ বাবে লাগে মাক-দেউতাকৰ মৰম আৰু আশীৰ্বাদ। আজি মই কিয় দেউতাৰ চকুত চকু থৈ কথা ক'ব নোৱাৰিছো? কিয় মই নিৰ্ভৰা হৈ চুপ কৰি ৰ'লো? কিয় কিয়?

বাইদেউ, বাইদেউ। হঠাৎ বীণাই মাত দিয়াত বন্দিতা চকমকাই উঠিল। কি হ'ল বাইদেউ? ইমানেকৈ কি ভাবি আছে। বন্দিতা হ'ল এগৰাকী দুখীয়া পাণ-দোকানী তিৰোতা। কোনোমতে এখন সৰু পাণ দোকান দি চলি আছে। বীণা হ'ল বন্দিতাৰ দোকানৰ কাষতে থকা হোটেলখনৰ কামকৰা মানুহ। বন্দিতা আছিল এখন সম্ভ্ৰান্ত ঘৰৰ ছোৱালী। কিন্তু সময়ে তাইক ক'লৈ লৈ গ'ল সেইয়া তাইয়ো নাজানে। এটা ভুল সিদ্ধান্তই তাইক তাইৰ জীৱনটো খেলি মেলি কৰি পেলালে। বীণাই সুধিলে বাইদেউ ইমানেকৈনো কি চিন্তা কৰি আছে। মই ৰাতি পুৱাৰে পৰা মন কৰি আছো। আমোল এখন মুখে বীণাই বন্দিতাক সুধিলে। মই নিজেই বুজি পোৱা নাই মোৰ হৈছে কি? মই আছো ক'ত? মই কি কৰি আছো? বন্দিতাৰ কথা শুনি বীণা আচৰিত হ'ল। বন্দিতাৰ কাষতে বহি বীণাই ক'লে বাইদেউ আপুনি অধৈৰ্য্য নহ'ব। কি হৈছে আপোনাৰ মোক খুলি ক'ব পাৰে। কথাখিনি ক'লে মনটো পাতল লাগিব। বীণাৰ হাতখনত ধৰি বন্দিতাই চকুলো টুকি তলমূৰ কৰি ৰ'ল। অলপ সময় এনেকৈ থকাৰ পিছত তাই ক'বলৈ ধৰিলে মই আজি যেনেকৈ আছো আগতে তেনেকুৱা নাছিলো। মোৰ

দেউতা এজন কলেজৰ প্ৰৱক্তা আৰু মোৰ মা এগৰাকী
শিক্ষয়িত্ৰী আছিল। মই ঘৰখনৰ এক মাত্ৰ ছোৱালী আছিলো
মেট্ৰিক পাছ কৰি যেতিয়া মই কলেজত পঢ়িবলৈ গৈছিলো
তেতিয়া এজন ল'ৰা মোৰ প্ৰেমত পৰিছিল। কিছুদিন
যোৱাৰ পিছত মোৰো ল'ৰাটো ভাল লাগিবলৈ ল'লে আৰু
আমাৰ মাজত ভালপোৱা আৰম্ভ হ'ল। তাৰ নাম সীমান্ত
আছিল। মই কোনোদিন জানিবলৈ চেষ্টা কৰা নাছিলো সি
কেনেকুৱা ল'ৰা, ঘৰৰ অৱস্থা কেনেকুৱা মাত্ৰ মই ভাল
পাইছিলো। এই কথাষাৰ মোৰ দেউতাৰ কাণত পৰিছিল।
এদিন দেউতাই মোক মাতি নি সুধিলে মাজনী তুমি
আজিকালি সঘনে এজন ল'ৰাক লগ কৰা কথা পাও
মই জানিবলৈ পাইছো ল'ৰাটো বৰ সুবিধাজনক নহয়।
সেয়েহে তাৰ পৰা তুমি আঁতৰি থকাটো ভাল। দেউতাৰ
কথাত মই গুৰুত্ব নিদিলো। পিছদিনা পুনৰ মই
সীমান্তক লগ কৰিলো আৰু আগদিনৰ কথাখিনি
তাক কলো। সি ক'লে আমি পলাই যাওঁ বলা। মোৰ
বহুত ভয় লাগিল। আমাৰ ঘৰত এজনী কাম কৰা
ছোৱালী আছিল। কলেজৰ পৰা আহি তাইক মোৰ কোঠালৈ
নি সুধিলো জুৰি বা তুমি কোৱাচোন পলাই যোৱা
মানে কি? মানে লৰা এটাই ছোৱালী এজনীক বিয়
পলুৱাই নিয়ে। তাই ক'লে যেতিয়া ছোৱালীজনী ঘৰৰ পৰা
বা ল'ৰাটো ঘৰৰ পৰা সিহঁতৰ বিয়াৰ বাবে অমান্তি
হয় তেতিয়া মনে মনে বিয়া পতাকৈ পলাই যোৱা বুলি
কয়। মই ৰাতিটো নুশুলো সেই কথাষাৰকে ভাবি থাকিলো
আমি যদি পলাই যাওঁ আমাৰ কিবা বিপদ হ'ব নেকি।
নাই নাই এনে নহয়। মই ঘৰৰ একমাত্ৰ ছোৱালী মোক
পুনৰ আকৌ মা-দেউতাই আকোৱালি লব। পিছদিনা

কলেজলৈ আহি মই সীমান্তক লগ ধৰিলো। তুমি যে কৈছিলা পলাই যোৱাৰ কথা মই যাবলৈ সাজু আছো। সি কথাষাৰ শুনি বহুত ভাল পালে। সি ক'লে টকা আহে কালিলৈ কলেজলৈ আহোঁতে তুমি বেগত দুযোৰ কাপোৰ ভৰাই আনিবা আমি কালিলৈ পলাই যাম। কথামতে মই পিছদিনা কলেজবেগতে কাপোৰ দুযোৰ ভৰাই আনিলো। ড্ৰাইভাৰে গাড়ীখন কলেজৰ গেটৰ সন্মুখতে ৰখাই দিলে। মই গেটত সোমোৱা নাছিলো। অলপ সময় পিছতে সীমান্তই এখন বাইক আনি ক'লে সোনকালে বাইকত উঠা। মই বাইকত উঠাৰ লগে লগে বাইক ঘূৰাই সি ৰেল ষ্টেচনৰ ফালে গ'ল। মই সুধিলো আমি ক'লৈ যাম। সি ক'লে আমি এতিয়া গুৱাহাটী যাম। আমি ৰাতি গৈ গুৱাহাটী পালোগৈ। সি মোক তাৰ লগৰ লৰা এটাৰ ঘৰলৈ লৈ গ'ল। তাত আৰু বহুতো ছোৱালী আনিছে। মই কিন্তু একো বুজি পোৱা নাছিলো আচলতে হৈছে কি। হাতমধ্যে ঘৰত সকলো হুৰা-দুৰা লাগিছে। ৰাতি মই একো নাখালো। ছোৱালীকেইজনীৰ লগতে শুই থাকিলো। হঠাৎ ৰাতি সাৰ পাই দেখিলো সীমান্ত ঘৰত নাই। সীমান্তক বিচাৰি ওলাই যাওঁতে কোনোবা দুজনে কথা পাতি থকা শুনিলো যে ছোৱালীকেইজনী ভাল বহুত টকা পাম। আমি ৰাতি ৪ টাত ইহঁতক চালান দিব লাগিব। মই কথাষাৰ একেবাৰে বুজি নাপালো। তেতিয়া মোৰ পিছত কোনোবা এগৰাকী ছোৱালীয়ে কি কৰিবা হয়তো বুলি সোধোঁতে মই চক খাই উঠিলো তাই ক'লে তুমি চাগে একেবাৰে বুজি পোৱা নাই ন'। ইহঁতে আমাক ৰাজস্থানলৈ পঠিয়াব। আমাক ইহঁতে

বেচিবলৈ আনিছে। মই নিজৰ কাণকে বিশ্বাস কৰিবলৈ টান পালো। ৰাতিপুৱা সাৰপাই দেখো আমি এটা বন্ধ কোঠাৰ ভিতৰত সোমাই আছো। দেউতাৰ কথাতে মোৰ মগজুটোই মূৰত পৰিবলৈ ললে। মোক ইমানে মৰম কৰিছিল কিন্তু তেওঁলোকেনো বুজি নাপালে। মোৰ প্ৰতিক্ৰিয়া কি হ'ব। দুৱাৰ খুলি উলাই আহিবলৈ চেষ্টা কৰিলো। মোৰ লগত থকা দোকানীকেইজনীয়ে মোক বাধা দি কৈছিল প্ৰতিয়া ইয়াৰ পৰা উলাই গৈ কি কৰিবা এনেও আমাৰ বদনাম হ'ল। তোমালোকে এইবোৰ কি কোৱা বদনাম, কিহৰ বদনাম। আমাৰ সকলোৰে মা-দেউতা আছে। আমাক আকৌ আকোৱালি ল'ব। ব'লা ইয়াৰ পৰা উলাবলৈ চেষ্টা কৰো। হঠাৎ দুৱাৰটোৰ এখন খিৰিকী ভাঙি থাকিল আৰু মই দুৱাৰৰ পৰা উলাই আহিলো আৰু সিহঁতকো উলাই আহিবলৈ ক'লো কিন্তু সিহঁত উলাই নাহিল। তেতিয়াও ৰেলষ্টেশন যোৱা নাছিল। মই অন্যএখন ৰেলত উঠিলো আৰু কোনোমতে ঘৰ উলালোহি। মোক দেউতাই পদূলি মুখতে ধৰিলে ক'লে আৰু ক'লে যে তোৰ কাৰণে এইঘৰৰ দুৱাৰ চিৰদিনৰ কাৰণে বন্ধ হৈ গৈছে। মই কান্দি কান্দি ঘৰৰ পৰা উলাই আহিলো আৰু বাটে পদূলিয়ে চাৰি দিন কটালো এটা মন্দিৰত থাকিবলৈ ললো আৰু তাতে মই মন্দিৰ চাফা কৰা কাম কৰি দিন কটালো। মন্দিৰৰ পূজাৰীয়ে মোক এই দোকানখন দিয়াত সহায় কৰি দিলে। আজি ৰাতিপুৱাই মোৰ দোকানলৈ এজন মানুহ আহিছিল তামোল খাবলৈ। তেওঁ কোন জানা? তেওঁ আছিল মোৰ দেউতা। দেউতাই মোক চিনি পাইয়ো নোপোৱাৰ ভাও ধৰিলে। আৰু মই নিৰৱে চৈ [illegible]

## অসমীয়াৰ পৰিচয়

শ্ৰীমতী কাবেৰী বৰুৱা
পঞ্চম ষান্মাসিক

সদিয়াৰ পৰা ধুবুৰীলৈকে পূব- পশ্চিমাকৈ
অসমৰ মাজেদি ব্ৰহ্মপুত্ৰ যেন আছে চিৰকাল বৈ
দক্ষিণে নগা পাহাৰ উত্তৰে অৰুণাচল
তাৰ মাজতে আছে ধুনীয়া আই অসমীৰ আঁচল
দক্ষিণ- পশ্চিমত আছে বাংলাৰ সিও অসমৰ ভাই
অসমীয়া আৰু বঙালী মিলি সম্প্ৰীতিৰ তুলনা নাই
এই দেশতেই জনম লভিলো আমি হ'লো অসমীয়া
স্বদেশ প্ৰেমৰ ভাবেৰে আমাৰ উপচি উঠে হিয়া
জ্ঞাতিভাৱে যি বসবাস কৰে এইখন অসমত
অসমীয়া বুলি আছে তেওঁৰো এটি পৰিচয়।


বড়ো কছাৰী মিচিং কোচ আহোম চুতীয়া
কলিতা হাজং ডিমাচা, লালুং- কাৰ্বি আদিৰ লেখিয়া
বহুতো জনগোষ্ঠী আছে এইখন অসমতে।
বিসতি নাই বিভেদৰ কথা আছে মাথোঁ মানৱতা।
ভাষা কৃষ্টি সংস্কৃতিয়ে দিয়ে অসমীয়া একতা।

অসমীয়া ভাষা অতিকৈ শুৱলা প্ৰাণ ভৰি বোলো মাতোঁ
অসমত বিহু উৎসৱ আদিত একতাৰ গীত গাওঁ
এই অসমতে শংকৰ- মাধৱে লভিলে জনম
যিয়ে দি থৈ গ'ল বিশ্বৰ উন্নত বিশুদ্ধ মানৱতাৰেই
শংকৰী সংস্কৃতি সত্ৰ নামঘৰ বৰগীত অঙ্কীয়া নাট
লোক সংস্কৃতিয়ে একতা আনিছে গঢ়িছে মিলনৰ হাট।
সাহিত্য সংস্কৃতি ভাষাৰ কাৰণে বহুতেই কৰিছে কাম
অসমীয়া বুলি পৰিচয় দিবলৈ তাতেই প্ৰেৰণা পাম।

## নতুন প্ৰজন্মৰ সমস্যা

শ্ৰীমতী জানমনি হাজৰিকা
পঞ্চম ষাণ্মাসিক

নতুন প্ৰজন্মৰ লৰা ছোৱালীবোৰ উচ্ছৃংখল। প্ৰায়ে আলোচনা হোৱা এই কথাষাৰৰ সত্যতা সম্পৰ্কে আমি চিন্তা কৰাৰ প্ৰয়োজন আছে। সমাজৰ মূল্যবোধৰ অৱক্ষয়ৰ বাবে নতুন প্ৰজন্মক দায়ী কৰা হয়। কিন্তু উচ্ছৃংখলতাৰ শিক্ষা নতুন প্ৰজন্মই কʼৰ পৰা পাইছে? সমাজখনত উচ্চ পদস্থ বিষয়াৰ পৰা আৰম্ভ কৰি পিয়ন চকিদাৰলৈকে দুৰ্নীতিৰ বোকাত লুটুৰি পুটুৰি হৈছে। আমাৰ জাতীয় জীৱনৰ প্ৰতিটো অংগতে দুৰ্নীতিয়ে দুৰাৰোগ্য কৰ্কট ৰোগৰ দৰে বিয়পি পৰিছে। দুৰ্নীতি সমাজ ব্যৱস্থাৰ সৃষ্টি নহয়, ই মানুহৰ চৰিত্ৰৰ কথা। বিষয়বস্তু দুৰ্নীতি নহয় যদিও দুৰ্নীতিক বাদ দি আলোচনালৈ যাবলৈ জটিল হয়। দুৰ্নীতিৰ বোকাত পোত গৈ থকা বিষয়ববীয়া সকলেই হʼল নতুন প্ৰজন্মৰ অভিভাৱক। লৰা ছোৱালীক টকা লাগে ইচ্ছানুযায়ী খৰচ কৰিবলৈ দিছে। আচুত মাছ-মাংস, মদ-ড্ৰাগছ এইবোৰ আজিকালি পিতৃ-মাতৃ সকলে লৰাছোৱালীৰ মুখত দিছে। ক্লাচ নাইন-টেনৰ লৰাৰ হাতত মবাইল, বাইক নহʼলে স্কুললৈ নাযায়। ফলত বাটে বাটে নানান সমস্যা হৈছে-যাৰ বাবে পায়োজৰত অভিভাৱকে লৰা ছোৱালীৰ আব্দাৰ-খা সমূহ পূৰণ কৰিবলৈ ভয় কৰে। লৰা ছোৱালী ডাঙৰ হৈ অহাৰ লগে লগে মানুহ হোৱাৰ শিক্ষা নিদিয়ে। লৰাই যেনে তেনে টকা ঘটিব লাগে আৰু ছোৱালীক ভাল লৰা এটাৰ হাতত অৰ্পণ কৰিব লৈছে হʼল। আজিকালি ভাল লৰা বুলিলে কাক বুজায়? যাৰ



মটৰ, বে-ন বেলেন্স আদিৰ অধিকাৰী এক্কো একোজন যুৱক। ঘৰত কুটা এগছ সিঁহালন নকৰা ছোৱালীজনী যেতিয়া এঘৰত বোৱাৰী হয়গৈ তেতিয়াই আহি পৰে দুৰ্যোগপূৰ্ণ ঘৰুৱা সমস্যা।

নিজৰ ডেকালোকজনে যেতিয়া অৰ্থনষ্ট হৈ বাটে বাটে ঘূৰি থাকে তেতিয়া অভিভাৱক সকলে চকু মুদি থাকে নেকি? আজিকালি শিক্ষিতা মহিলা সকলৰ এটা সমস্যা হৈছে 'হাউচ ৱাইফ' বুলি চিনাকি দিয়া শব্দটোৰ বাবে। শিক্ষিতা নাৰী সকলক লাগে গ্লেমাৰ। নিজৰ লৰা-ছোৱালীৰ প্ৰতি মনোযোগ নিদিয়া, নিজৰ ঘৰখন নিয়াৰিকৈ পৰিচালনা কৰিব নোৱাৰা নাৰী সকলোৱে পুৰুষ শাসিত সমাজৰ বিৰুদ্ধে মেল মিটিং কৰে। নিজৰ অস্তিত্ব সুকীয়াকৈ প্ৰমাণ কৰিবলৈ যাওঁতে কিমানৰ সংসাৰত যে খেলিমেলিৰ সৃষ্টি হৈছে তাৰ হিচাপ হয়তো নোলাব। সেই সুযোগতে লৰা ছোৱালীয়ে ঢাল খায় উচ্ছৃংখলতাৰ ফালে।

আমাক নিৰাপত্তা লাগে। অৰ্থনৈতিকভাৱে হওঁক মানসিকভাৱে হওঁক। খোঁচ নিদিয়াকৈ কোনো এটা কামেই হাতত কৰিব নোৱাৰা সমাজখনত উচ্ছৃংখলতা নহ'ব কিয়? নতুন প্ৰজন্মৰ মাত বদনাম জাপি দি এচাম পুৰণি প্ৰজন্মৰ কিছুমান ব্যক্তিৰ সন্মান বাহ্যত জাহ কৰাটো লজ্জাজনক। নতুনক সমৰ্থন কৰিব পাৰি। কিন্তু পুৰণিক নোৱাৰি। মূল্যবোধৰ অৰ্থ বুজি নোপোৱা অভিভাৱকে লৰা-ছোৱালীক মূল্যবোধৰ শিক্ষা কেনেকৈ দিব? পুৰণি চামে সমাধান সূত্ৰ বিচাৰিবলৈ চেষ্টা কৰিব লাগে যে

নতুন প্ৰজন্মৰ নিজৰ সাংস্কৃতিৰ প্ৰতি অনিহা কিয়? শেষত ইয়াকে কওঁ যে নতুন প্ৰজন্মক দক্ষতা-সফলতাৰ বৰ্তমান খাপ দি হাতে সাৱটি ধৰি আধুনিক সমাজত ইতিবাচক চিন্তাৰ প্ৰভাৱ পেলাবলৈ চেষ্টা কৰাৰ কথা পুনৰবাৰে চিন্তা কৰিব লাগে।

## কৌতুক

শ্ৰীমতী বৰ্ণালী ভুঞা
পঞ্চম ষাণ্মাসিক

পত্নী :— হেৰা শুনিছানে কালি মই মিৰিকাৰ কাষত থৈ গান গাই থাকোতে কোনোবাই চেণ্ডেল এপাত দলিয়াই দিছিল।

স্বামী :— তুমি আজিও একেটা গানকে গোৱা ইপাত চেণ্ডেলো দলিয়াই দিব। তুমিতো এতিয়াও চেণ্ডেল এযোৰ কিনা কথা কৈয়ে আছিলাচোন।

## সাঁথৰ

চাগে চাগে যায় সুৰ তুলি গায়, বুঢ়া-বুঢ়ীয়ে নেদেখে ডেকা-জীয়ৰীয়ে দেখে।

উঃ— মেজী

ওপৰত সৰা পাবিল লাটুম তাক মাৰে টিকা কাটে।

উঃ— তামোল।

শ্ৰীমতী ববিনা সোণোৱাল
২য় ষাণ্মাসিক


'অন্তা তিত্তআ' প্ৰকাৰ

## 'মহিম বৰা'

### আৰম্ভণি :

ৰোমান্টিক যুগৰ জলবায়ু সেৱন কৰি আধুনিক চেতনাৰ জগতত আহি ভোজ দিয়া আৰু অসমীয়া সাহিত্যৰ সৃষ্টিমুখী আধুনিকতা উদাৰ সংবেদনশীল মানৱতাবাদৰ জাতীয় সাহিত্যৰে যে সজাই পৰাই তুলা এই মানৱতাবাদী কথাশিল্পী সৰাকীয়ে হল আমাৰ কবি 'মহিম বৰা'। আধুনিক অসমীয়া সাহিত্যৰ এজন প্ৰভাৱশালী লেখক মহিম বৰা। মহিম বৰা জন্ম হয় ১৯২৪ চনত। মহিম বৰাৰ পিতৃৰ নাম সত্যেন্দ্ৰ নাথ বৰা আৰু মাকৰ নাম চন্দ্ৰকান্তি বৰা।

### শিক্ষা আৰু কৰ্ম জীৱন :



কথাশিল্পী মহিম বৰা দৰং জিলাত জন্ম হলেও বৰাৰ শৈশৱকাল পাৰ হৈছিল নগাঁৱৰ কলিয়াবৰতহে। কলিয়াবৰৰ হাইস্কুল প্ৰাইমেৰী স্কুলত শিক্ষাৰম্ভ কৰা মহিম বৰাই কলিয়াবৰ হাইস্কুলৰ পৰাই প্ৰৱেশিকা পৰীক্ষা পাছ কৰে। তাৰপাছত ১৯৪৮ চনত কটন কলেজৰ পৰা স্নাতক ডিগ্ৰী লাভ কৰে। তাৰ পাছত ১৯৪৯ চনত কলিয়াবৰ হাইস্কুলত শিক্ষকতাৰে কৰ্মময় জীৱনত পাতনি মেলা মহিম বৰাই ক্ৰমান্বয়ে যোৰহাটৰ জগন্নাথ বৰুৱা কলেজত সাতমাহ শিক্ষকতা কৰে আৰু নগাঁও কলেজত অসমীয়া বিভাগত প্ৰবক্তাৰূপে যোগদান কৰি ১৯৮৭ চনত অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক হিচাপে অৱসৰ লয়।

### সাহিত্যিক প্ৰতিভা আৰু অৱদান :

ছাত্ৰ অৱস্থাৰ পৰাই মহিম বৰাই সাহিত্য চৰ্চাৰ কামত মনোনিবেশ কৰিছিল। সাহিত্য চৰ্চাত ব্ৰতী হৈ সপ্তম শ্ৰেণীত

'মলয়া নামৰ' আলোচনীত প্ৰকাশ পোৱা 'মাজনৰ চুৰট' গল্পটিয়ে মহিম বৰাৰ প্ৰথম গল্প। তাৰ পাছত বৰদৈচিলা আলোচনীত প্ৰকাশ পায় তেওঁৰ প্ৰথম চপা গল্প 'তুইন মৰা'. আনকি কলেজত পঢ়ি থাকোতে 'পেৰালী' আলোচনীত বেখ বেনামৰ ছদ্মনামেৰেও তেওঁ গল্প কবিতা লিখিছিল। তেওঁৰ প্ৰথম গল্প সংকলন 'কাঠনি বাৰীৰ ঘাট' ১৯৬১ চনত প্ৰকাশ পায়। আন গল্পপুথিসমূহ হল - দেহা গৰকা প্ৰেম, মহৈ শিয়ালি আৰু পুজা, বল্লভূজা ত্ৰিভুজ, এখন নদীৰ মৃত্যু, ৰাতিফুলা ফুল, বৰযাত্ৰী, মোৰ প্ৰিয় গল্প, মহিম বৰাৰ গল্প সমগ্ৰ ইত্যাদি। একমাত্ৰ কাব্য সংকলন 'ৰঙা তিত্ৰা'। প্ৰবন্ধ সংকলনসমূহ চিন্তা বিচিত্ৰা, সাহিত্য বিচিত্ৰা, সৃষ্টি আৰু প্ৰেৰণা। ৰম্য ৰচনা হল - মোমাইৰ পদূলিত বাঙ্কিলো ঘোঁৰা। তেওঁ উপন্যাসসমূহ - হেৰোৱা দিগন্তৰ মায়া, শিশু সাহিত্য হল - বত্ৰিশ পুতলাৰ সাধু, সোণমণিৰ হাঁহি। সম্পাদিত গ্ৰন্থ 'শংকৰদেৱৰ নাট' আৰু 'ৰাজা ৰাম মোহন ৰায়' তেওঁৰ একমাত্ৰ অনুদিত গ্ৰন্থ।

মহিম বৰাৰ অবিস্মৰণীয় সৃষ্টিক সমালোচক ড০ হৰেণ গোস্বামী কৈছে- যেনেকৈ কেৱল মহিম বৰাহে লিখিব পাৰে তেখেতৰ প্ৰত্যেকটো গল্প অনন্যন্যা। 'ৰঙা তিত্ৰা' কাব্যগ্ৰন্থৰ জৰিয়তে কবিয়ে এক নিজস্ব কাব্য-ধাৰণা নিজস্ব শৈলীৰে প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছিল। কবিৰ নিজস্ব জীৱনবোধিত সংপৃক্ত 'ৰঙা তিত্ৰা' কবিতাবোৰ আত্মাধাৰণ কাব্যকতা তথা ভাব অনুভূতিৰ গাঢ়তা আৰু সজীৱতাত মুগ্ধ প্ৰায় সকলো সমালোচকেই তেওঁ কাব্য-প্ৰতিভাক একেমুখে স্বীকৃতি দিছে।

## বঁটা সন্মান :

১৯৭৮ চনত অসম সাহিত্য সভাৰ গোলাঘাট অধিবেশনৰ কবি সন্মিলনৰ সভাপতি আছিল। ১৯৮০ চনত 'হাতি ফুলা ফুল' গল্প সংকলনখনৰ বাবে অসম প্ৰকাশন পৰিষদ বঁটা লাভ কৰে। ১৯৮৯ চনত অসম সাহিত্য সভাৰে ধুমধুমা অধিবেশনত সভাপতিৰ পদ অলংকৃত কৰে। ১৯৯৮ চনত তেওঁৰ জীৱনজোৰা সাহিত্য কৰ্মৰ বাবে মেগৰ শিক্ষা ন্যাস প্ৰদত্ত অসম উপত্যকা বঁটা লাভ কৰে। ২০০১ চনত এধানি মাহীৰ হাঁহি উপন্যাসৰ বাবে সাহিত্য অকাডেমী বঁটা লাভ কৰে।

## সামৰণি :

শেষত ক'ব পাৰি যে মহিম বৰা গল্প আৰু কবিতা এই দুই বিভাগতে শিল্পৰূপ সৃষ্টিত মহিম বৰা আছিল নিজস্ব প্ৰতিভা আৰু সংৰচনাৰে সমুজ্জ্বল। গাঁৱলীয়া জীৱনৰ পৰা চহৰীয়া জীৱনলৈকে আমাৰ প্ৰিয় মহিম বৰা মৌচাক আছিল। গ্ৰাম্য জীৱনৰ মিঠা সুৱাস সুৱাদ যাৰে তেখেতে সমৃদ্ধ কৰি তুলিছিল এখন সুসংস্কৃত অসমীয়া সমাজ। এই মহান ব্যক্তি গৰাকী ২০১৮ চনৰ ৫ আগষ্টত আমাৰ মাজৰ পৰা আঁতৰি গ'ল। মহিম বৰাৰ অসমীয়া সমাজৰ পৰা কায়িক শৰীৰ আঁতৰি গ'লেও তেখেতৰ সৃষ্টি সমৃদ্ধ স্মৃতি সমাজত সদায়েই উজ্জ্বল তৰাৰ দৰে চিৰ সমুজ্জ্বল হৈ থাকিব। এই গৰাকী মহান অথবা উদাৰ মনোভাৱসম্পন্ন ব্যক্তি গৰাকীৰ স্মৃতি অসম সাহিত্য সভাকে ধৰি বহুতো প্ৰকাশৰ তথা শিক্ষানুষ্ঠান সমূহে সোঁৱৰণ আৰু সংৰক্ষণ কৰা নিতান্তই প্ৰয়োজন।

# ক

# বি

# তা

## বৰষুণ

শ্ৰীমতী মজুমণি কোঁচ
প্ৰথম ষাণ্মাসিক

সেইদিনা ধেমালিতে এজাক প্ৰেমৰ বাণি লগা
বৰষুণ পৰিছিল টোপা টোপে।
তোমাৰ আকাশী দোপাট্টাত
সৰি পৰিছিল আকাশ।
তোমাৰ হৃদয়ৰ পৰা মোৰ হৃদয়লৈ
বাগৰি আহিছিল এটা আকাশ নীলা সপোন।
সেই একোজাক বৰষুণতে তিতি তিতি
মোৰ দেহতাইও
নাহুলৰ মুঠিত ধৰি
দেখাছিল এটি সপোন
মই মানুহ হোৱাৰ সপোন।

## কৌতুক

★ এখন সভাত এজন মানুহে আন এজন মানুহক কৈছে—
প্ৰথম পুৰুষ : মই যে মানুহজনক দেখিছে, তেওঁক মইয়েই লাখপতি বনালো।
দ্বিতীয় পুৰুষ : হয় নেকি? ইয়াৰ আগত তেওঁনো কি আছিল?
প্ৰথম পুৰুষ : তাৰ আগত তেওঁ কোটি পতি আছিল। মইয়েই তেওঁক লাখপতি বনালো।

# শান্তি

শ্ৰীমতী দেৱজ্যোতি শইকীয়া
সোণোৱাল
প্ৰথম ষান্মাসিক

আমাক লাগে শান্তি
নালাগে আমাক বিভীষিকা
লাগে মাথোঁ শান্তিৰ নিতস্বা
নালাগে আমাক ইং ৰাজৰ দুনীৰ্তি
লাগে মাথোঁ অসমীয়াৰ সুনীতি
শুনিব নিবিচাৰো বন্দুক বাৰুদৰ শব্দ
চাব নোবিচাৰো বিশুদ্ধ তেজেৰে ৰাঙলী হোৱা
অসমীয়া মানুহৰ সাৰ তেজ
হে অসমীয়া ডেকাসকল
তেজৰ ফাকু আৰু নেখেলিবা
নকৰিবা আবেগ হত্যা, হিংসা ।

## নিসংগতাৰ আলিঙ্গনত তুমি

শ্ৰীমতী দীপাসখি কোঁচ
পঞ্চম ষাণ্মাসিক

নিসংগতাৰ আলিঙ্গনত তুমি
মোৰ হৃদয়কমলত
জাঁহি উঠা
এজাক তৰা হৈ।
যৌৱনে উপচি পৰা
শ্যামলা দলিচাখনিত
বুকুৰ কোলোবাখনিত এদিন হাতখে
কৈছিলা
আকাশ হব বিশাল
হয়তো পাৰে...
নইতো দুপাখি মেলি আকাশৰ শূন্যতাত
বিচৰণ কৰা নাই।
মাথোঁ এবাৰ অনুভৱৰ সীমনাত
প্ৰিয় হৈ বিবেকক সুধিছিলো
প্ৰেম কি? ই ইমান গভীৰ?
এতিয়া চৌদিশে বিৰাজিত
কেৱল আন্ধাৰ, বৰ্ণহীন আন্ধাৰ
ঘূণেধৰা বিবেকৰ তুলনাচনীত
মোহৰ ঘোৰে ক্ৰমে ক্ৰমে যেন
জাই লে অপানুৰিত হৈছে
বোমা বন্দুকৰ সৈতে আজ চিয়ঁৰিব
পাৰ্থক্য বিচাৰি
মাথোঁ মৌন আলাপ কৰিছো।

সংগৃহীত লোকবাণী

শ্ৰীমতী মালতী সোণোৱাল
প্ৰথম ষান্মাসিক

★ অ'ং নকৰিবা নিজৰে সৰ্বনাশ হ'ব। অহংকাৰ নকৰিবা পতন হ'ব। ফাঁকি নিদিবা ফাঁকিত পৰিবা পাছত।

△ স্বামী বিবেকানন্দ

★ শিক্ষক এজন মমবাতিৰ সমান যি নিজে গলি আনক পোহৰ দিয়ে।

△ সুভাষ চন্দ্ৰ বসু

★ ভুল আঁতৰাই সত্য প্ৰতিষ্ঠা কৰাটোৱেই শিক্ষাৰ মূল লক্ষ্য।

△ চক্ৰেটিচ

★ জগতত জীয়াই থাকিবলৈ প্ৰেম আৰু সাহসৰ অতি প্ৰয়োজন।

△ আব্ৰাহাম লিংকন

★ শিক্ষাই হৈছে মূল উপায়, যি মানুহৰ জীৱনলৈ সুখ আৰু শান্তি নিজকা বোৰেই আনিব পাৰে।

△ এৰিষ্টটল

★ মানুহে মানুহক অন্ধকাৰৰ পৰা পোহৰলৈ আনিব পাৰে। মানুহক জীৱন দান দিব পাৰে। পৃথিৱীত মহানুভৱতাই এই কাম কৰিব পাৰে।

△ মহৰ্ষি বয়চন্দ্ৰ গোস্বামী


★ প্ৰেম বিহীন জীৱন শলিতা নোহোৱা চাকিৰ দৰে।

△ মহাত্মা গান্ধী

## অনুভৱ

শ্ৰীমতী জানমনি হাজৰিকা
পঞ্চম ষাণ্মাসিক

জীৱনৰ বাটত আগবাঢ়ি যাওঁতে
বাট যে ঘাত-প্ৰতিঘাত
আশা-হতাশাৰে ভৰা আমাৰ জীৱন
দুখ কষ্টৰে পূৰ্ণ হৈ পৰা আমাৰ মন
জীৱন সুখ-দুখ হাঁহি কান্দোনৰ
যেনিবা এখন বিশাল বৰ্ণমালা
দুখবোৰ ঢাকি ৰাখিব বিচাৰো
সুখবোৰ বিলাই দিব বিচাৰো
দুখক পাহৰি
সুখক সাৱটি কৰি
হাঁহি হাঁহি আগবাঢ়ি যাম
জীৱনৰ প্ৰতিটো বাটত
প্ৰতিটো মুহূৰ্তত



## জীৱন

শ্ৰীমতী অৰিন্মা গৌৰৱ
প্ৰথম ষাণ্মাসিক

আত্মাৰ স্মৃতিয়ে জীৱনৰ বাটত
বসুন্ধৰা পৃথিৱীৰ অপৰূপা মায়াত
নিৰলে তিৰাৰ যোতো এজোপৰ জাঁ
জীৱনৰ সুখ দুখ উপভোগ কৰি
ৰৈ আছে তোমাৰ বাবে মন মন্দিৰখনি
এটি হেঁপাহৰে ৰৈ আছো মাথো মই
তোমাক পোৱা হেঁপাহেৰে মন মন্দিৰত।

## জীৱনৰ অৰ্থ বিচাৰি

শ্ৰীমতী জৰানী কোঁৱৰ
তৃতীয় ষাণ্মাসিক

জীৱনটোক বিচাৰি ফুৰিছো
নব্য কলমত তুলি ধৰিবলৈ
নাই নোৱাৰো, মই যেন
বাৰে বাৰে ব্যৰ্থ হৈ আৰিছো
নাই মোৰ এই জীৱনৰ
সুখ, শান্তি, হাঁহি ধেমালি
চাৰিওফালে সাঁথেৰ অন্ধকাৰ
বিচাৰি ফুৰিছো জীৱনত
অলস সূৰ্যৰ কিৰণ
নিয়ঁৰৰ মুকুতা সৰা দুবৰি বনত
দুভৰি মে কেতিত চাইছো
মোৰ এই তৃষ্ণ জীৱনটোক
বিচাৰি ফুৰিছো চাৰিওফালে
মোহৰ মাজে মোহৰ ।